ভাষা

তিৱাসকলৰ সুকীয়া ভাষা আছে। অৱশ্যে অদ্যাপিও ই ভাষা হিচাপে স্বীকৃতি পোৱা নাই। তাই ভাষাৰ দৰে তিৱা ভাষাও অসমৰ বিভিন্ন ঠাইত (বিশেষকৈ পাহাৰীয়া অঞ্চল)ত ব্যাপকভাবে প্রচলন আছে। তিৱা ভাষা যে আদিম ভাষা এই কথা (Irach jchangir Sorabji Teraporewala Elements of the Science of Language আৰু 'কিৰাত জনকৃতি' নামৰ ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ গ্রন্থত উল্লেখ আছে। 'নল মবে গজালি ওলায়।' কাফুল সদৃশ তিৱা ভাষাক কোনেও হেঁচা দি বাখিব নোৱাৰে। বর্তমান তিৱাসকলে নিজ ভাষা আৰু কৃষ্টিক সঞ্জীবিত ৰাখিবলৈ চেষ্টা কৰিছে। ই এদিন ফলৱর্তী হ'বই।

'ফৈ জ্যেতে মাথা-থলে তিৱা লিবিং ৰাউ

খাঙাল ঠঙালি খাই, নেম্গ' ৰাখেনা ফৈ;

থ'ৱানে ফৰ্ল এথাত হিয়াঁখা, ফিনদিমি কত'

আকল লিগা,

চিগালে চালাংল ফৈ,... ..

ভাবার্থ:

হে পাহাৰ ভৈয়ামবাসী তিৱাসকলা, কঁকালত টঙালি বান্ধি কলা-কৃষ্টিক জীয়াই ৰাখিবলৈ ওলাই আছা। এতিয়া শুই থাকিবৰ সময় নাই, পৃথিৱী বহুখিনি আগবাঢ়ি গ'ল।

(উৎস: বিবিন চন্দ্র পাতৰ, কিনিং ছাঙা কীত, ৰিংছাং ২য় সংখ্যা, পৃঃ১১৭)

পাহাৰীয়া তিৱাই অসমীয়া ভাষাৰ ব্যঞ্জনবর্ণৰ চতুর্থ বর্ণ উচ্চাৰণ কৰিব নোৱাৰে। ঘ, ঝ, ঢ, ধ, ভ এই পাঁচটা বর্ণ উচ্চাৰণ কৰোঁতে জিভাখন দোবোল খায়।

যেনে-

পাহাৰীয়া উচ্চাৰণ	**ভৈয়ামীয়া উচ্চাৰণ**
গহৰ, গৰ্	ঘৰ
দহৰিবলৈ	ধৰিবলৈ
কোনা	ঘোঁৰা
দান্ বা টান্	ধান
বাত্ বা বাহাত	ভাত

অসমীয়া ভাষাৰ লগত মিল থকা কেতবোৰ তিৱা শব্দ তলত উল্লেখ কৰা হ'ল, যিবোৰ তিৱা ভাষাৰপৰা অসমীয়া ভাষালৈ পৰিৱর্তিত বুলি ভবাৰ থল আছে। যেনে- এংচ>বিছা, কাহাঁই/গোহাই ডাঙৰীয়া, কৰখীয়া/ খৰকিয়া-গৰখীয়া, কীত- গীত, কাত-গাঁত, কাখীৰ-গাখীৰ, কাঠিয়না- কাঠিয়ৰা, কাছু-কাছুটি, কাৰু-খাৰু, খুদি-গুটি, খাউৰা-কাউৰী, খুলচ-কলহ, খৰিয়া-খুৰীয়া, থেৰেন্দাই-কেৰেলুৱা, খাণ্ডাল-কঁঠাল, খুচিয়া-কুচিয়া, খুচিয়াৰ-কুঁহিয়াৰ, চিলং-চিলনী, চনাই-চন্দ্র, চলন-প্রচলন, চাদি-যদি, চুৱা খে/জুগুলি- জুগুলি, তৰপ/ত্রপ-দৰব, তামৰা-দমৰা, তৰ্- দৰ, থে/ কেৰা-থেকেৰা,

থ্ল-তল/ভৈয়াম, থ্রোৱাল-তৰোৱাল, থি/ইম্‌দিলি-থিন্দিল-তেঁতেলি, দাও-দাও, টুৰিক- দৰিক, টুফ্রিক-টোকোৰা চৰাই, টুখুৰা- টুখুৰা (ভীম-ৰজা), ঠেলা-ঠোলা, ঠিক্‌লি-টেকেলি, পালি-বালি, পিঘিনি-বিঘিনি, পালুক-ভালুক, ফুইছা-পইচা, ফেৰা/হোপোৰা-পেৰা, ফৰ-পৰ, ফেম্বৰ>পিপৰা, ফর্জা-প্রজা, বিয়াল-শিয়াল, মেছাম-মাংস, মিয়াও-মেকুৰী, মিশ-ম'হ, মাখ্রী-বান্দৰ, মাই(ধান)-মাইহাংম মাখহা-খেতিৰ পথাৰ, ৰাই(বেত) ডাং(লাখুটি)-ৰাইডাং, লেও-লেওলেও, হাথী-হাতী।

(উৎস: স্বাধীন বৰদলৈ, প্রত্যয় যোগত ভিৰা ভাষাৰ গঠন, খুৰাং, পৃঃ ১২-১৬, ১৯৮৫ চন, সহায়ক ব্যাক্তি উদ্ধর সেনাপতি)

মূল বড়ো ভাষাৰপৰা বড়ো, লকিং, ত্রিপুৰী, গাৰো আদি ভাষা শিপাইছে। ইহঁতৰ লগত নিচেই ওচৰ সম্বন্ধ আছে মৰাণ, ৰাভা, তিৱা, ডিমাচা, দেউৰী-চুতীয়া আৰু কোঁচ-হাজতীয়া ভাষা। তিৱা ভাবা বড়ো ভাষাৰ এটি ঠাল। গতিকে তিৱা ভাষাৰপৰা অসমীয়া ভাষালৈ অৱদান এবুকু সমান দ বুলি ক'লেও বঢ়াই কোৱা নহয়।

- **উচ্চাৰণৰ তাৰতম্য**

পাহাৰীয়া তিৱাই 'চ' বা 'ছ' বর্ণৰ উচ্চাৰণ ভালকৈ কৰিব নোৱাৰে। কিন্তু থলুৱা তিৱাই 'জ' বা 'চ'ৰ দৰে উচ্চাৰণ কৰা দেখা গৈছে। নিদর্শন স্বৰূপে তলত কেইটামান শব্দ উ□□□□ত কৰা হ'ল।

পাহাৰীয়া উচ্চাৰণ	**ভৈয়ামীয়া উচ্চাৰণ**	**অসমীয়া অর্থ**
চখা	জখা	সৰু
ছামাদি	চামাদি	ডেকাচাং
চিং	জিং	আমি
চ্যু	জ্যু	ঘৰুৱা মদ
ছাৰ	চাৰ/জাৰ	কোন
চাখাল	জাখাল/চাখাল	যেতিয়া
ছাৰি	চাবি	চাৰি
চংখং ফুজা	জংকং ফুজা	লখিমী পূজা

'চ' এই সপৃষ্ট ধ্বনিক তিৱা ভাষাত সঘোষ তালব্য আৰু 'ছ' স্পষ্ট ধ্বনিক সঘোষ দন্ত্যমূলীয় ধ্বনি হিচাপে ব্যৱহৃত কৰা হৈছে। তিৱা ভাষাত দ্বি স্বৰ ধ্বনিৰো প্রচলন আছে। যেনে- ফৈ (অই), হাদাও (আও), হেও (এও), লাই (আই) ইত্যাদি।

ক, ট, আৰু প বর্গৰ প্রথম আৰু তৃতীয় বর্ণৰ উচ্চাৰণ পাহৰীয়া আৰু ভৈয়ামীয়া তিৱাৰ ক্ষেত্রত সামান্য পার্থক্য আছে। এই বর্গকেইটাৰ তৃতীয় বর্ণ উচ্চাৰণ কৰোঁতে পাহাৰীয়া তিৱাই প্রথম আৰু তৃতীয় বর্ণৰ সংযুক্ত ধ্বনি পর্যায়ৰ উচ্চাৰণ কৰে। নমুনা হিচাপে তলত কেইটিমান শব্দ দিয়া হ'ল-

পা: উচ্চাৰণ	**ভৈঃ উচ্চাৰণ**	**অসমীয়া অর্থ**
পুন্‌চি (পবুনচি)	বুন্‌চি	ভিনীহি
কই	গৈ	তামোল
টেকাৰাজা (টেডকাৰাজা)	ডেকাৰাজা	শিয়াল
তর্গা	দৰগা	দুৱাৰ

নাসিক ধ্বনি 'ম' আৰু 'ন' শব্দৰ আৰম্ভণিত আৰু 'ঙ' ধ্বনি মধ্য আৰু অন্তৱৰ্তী স্থানত ব্যৱহাৰ হয়। যেনে-ৰিংছাং, খেদাং, খাঙাল ইত্যাদি।

অসমীয়া ভাষাত ব্যবহৃত স, শ ধ্বনিযুক্ত শব্দাদি তিৱা ভাষাত উচ্চাৰিত হওঁতে কেতিয়াবা 'চ' আৰু কেতিয়াবা 'হ' ধ্বনি ৰূপে ব্যৱহাৰ কৰে। যেনে-অসম-অচম, সদায়-হদায়, শালি-হালি, শনি-হনি, শিয়াল- চিয়াল, সমাজ-চমাজ ইত্যাদি।

তিবা শব্দ	**অসমীয়া শব্দ**
হুলডি (হালদি)	হালধি
শাকাৰ	শাক
হাকুঁন	হাফলু
শামু	শামুক
হাঠাম/হাদাম	হাদাম
শিগুণ (শিকন)	শগুণ
শাৰুক	শালিকী
সাল	সূর্য
হাড	হাট, বজাৰ
ৱানকুৰি	পিঠাগুড়ি
য়াস্তাম্‌	আঙঠি

অসমীয়া ভাষাৰ দৰে তিৱা ভাষাৰো অনুৰূপ শব্দ আছে-

কীত্‌-নাদ	গীত-মাত
খুল-বঙচ্‌	কুল-বংশ
খাই-মামাই	ককাই-মোমাই
চাবা-নোৱা	খোৱা-পিয়া

চ'ৰ-পাহাই	ভাই-বন্ধু
পল-পুদি	বল-বুদ্ধি
মাল্-মকৰ	মাল-বস্তু
মিচ্-মাচু	গৰু-ম'হ
ৰে-চোম্	কাপোৰ-কানি

অসমীয়া ভাষাৰ দৰে অনুকাৰ শব্দবোৰ ব্যৱহাৰ আছে-

গিৰিম্	গিৰিম্
খট্ খট্	খট্ খট্
টেপ টেপ	টুপ টুপ
খল্ খল্	কুলু কুলু
কুন কুন	গুণ গুণ
চিৰিৰি চিৰিৰি	জিৰ জিৰ

তিৱা ভাষাত পুৰুষ বুজোৱা ক্ষেত্ৰত মেৱা, মছৱা, চা আৰু স্ত্রী বুজোৱা ক্ষেত্ৰত মাৰ্গী, মুছুলুং আফ চাজ এই কেইটা চিন ব্যৱহাৰ হয়। মছৱা, মুছুলুং আদি চিনবোৰ ইতৰ প্রাণীৰ ক্ষেত্ৰত আৰু মাৰ্গী চিন মানুহ আৰু ইতৰ উভয়ৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। ইয়াত মাত্র দুটামান উ□□□□ত কৰা হ'ল। যেনে- মেৱা লিবিং (মতা মানুহ), মাৰ্গী লিবিং (মাইকী মানুহ), কৰখা চা (ল'ৰা), কৰ্ খা চাজ' (ছোৱালী), মছৱা টু (মতা চৰাই) মুছুলুংটু (মাইকী চৰাই) ইত্যাদি। পুৰুষ বা স্ত্রী বুজোৱা মুক্ত বা যুক্ত ৰূপ ব্যৱহাৰ কৰিও স্ত্রী লিঙ্গ কৰা হয়। যেনে-পা বা ফা (পিতা), ৱাই বা মা (আই), তাদাই (দদাই), আছি (পেহী) আৰু আনি (খুৰী) ইত্যাদি। কেতিয়াবা 'ঈ' প্রত্যয় যোগেৰে স্ত্রী লিঙ্গ কৰা হয়। এনেবিধ শব্দ পোনে পোনে আৰ্যমূলীয় অসমীয়া ভাষাৰপৰা অহা বুলি ধাৰণা কৰা হয়। যেনে পামুণ, (বামুণ) পামুণী (বামুণী)।

তলত তিৱাৰ ব্যৱহৃত সপ্তাহ, বছৰ, মাহ, ঋতু আৰু বাৰৰ নাম উল্লেখ কৰা হ'ল-

তিৱা শব্দ	**অসমীয়া শব্দ**
হাপ্তাহ	সপ্তাহ
মাস/চনাই	মাহ
পছ'ৰ	বছৰ
হলাম্ পথৰ	গ্রীষ্মকাল
পাৰিছা	বাৰিষা
চিগাম্ পথৰ	শীতকাল
হাৰাণ পথৰ	বসন্তকাল

বৈশাক	ব'হাগ
জেট্	জেঠ
আচাৰ	আহাৰ
শাওণ	শাওণ
পাদ'	ভাদ
আছিন	আহিন
খাতি	কাতি
আগ্ন	আঘোণ
পুমাস্	পুহ মাহ
মাক্	মাঘ
ফাগুন	ফাগুন
চইত	চ'ত
দেওবাৰ	দেওবাৰ
সম্বাৰ	সোমবাৰ
মঙলবাৰ	মঙ্গলবাৰ
বুদবাৰ	বুধবাৰ
পিস্পিদিবাৰ	বৃহস্পতিবাৰ
শুকুৰবাৰ	শুক্রবাৰ
শনিবাৰ	শনিবাৰ

তলত তিৱা ভাষাত প্রচলিত কালবাচক সর্বনাম আৰু সময় বা কাল বুজোৱা শব্দ কেইটামান উল্লেখ কৰা হ'ল-

তিৱা শব্দ	**অসমীয়া শব্দ**
এঠা	এতিয়া
তাচুন	যেতিয়া
পাখাল্	কেতিয়া
পাখালা	কেতিয়ালৈ
পাখালবা	কেতিয়াবা
পাখালবানা	কেতিয়াবালৈ

এঠানা	এতিয়ালৈ
তাছুনা	যেতিয়ালৈ
ফৰ্	সময়/কাল
সাল/তিন্	দিন
হৰ্	ৰাতি
ফ্রুং	ৰাতিপুৱা
পিয়াল	বিয়লি, আবেলি

আৰ্যমূলীয় ভাষাসমূহৰ সংখ্যা গণনাৰ লগত তিব্বত-বর্মী ভাষাগোষ্ঠীৰ সংখ্যা গণনাত পাৰ্থক্য আছে। আৰ্যমূলীয় ভাষাত প্ৰতি দশকত ছেদ পেলাই মতাৰ নিয়ম, কিন্তু তিব্বত-বর্মী গোষ্ঠীৰ সংখ্যা গণনাত প্ৰতি কুৰিৰ মূৰে মূৰে ছেদ পেলাই যোৱা নিয়ম।

অসমীয়া	**তিৱা**	**কাৰ্বি**	**মিচিং**
এক	কিচা	ই/ছি	আক
দুই	কিনিং	হিনি	আন্ঞি
তিনি	থিন্	কে/থম্	আউম্
চাৰি	ছাৰ	ফি/লি	আপিপি
পাঁচ	ফাচ্	ফ'/ঙ	আংঙ
ছয়	চু'ই	থে/ৰক্	আককীং, আক্কে
সাত	চাত্	থে/ৰক/ছি	কৃনৃদ
আঠ	আট্	নেৰ/কেপ	পিঃঞি
ন	ন'	চিৰ/কেপ	কনাং
দহ	তশ	কেপ্	অঋয়িং
এঘাৰ	ইগাৰ'	.....	স্মৃয়িং কলাং আক
বাৰ	বাৰ'	.....	স্মৃয়িং কলাং আনঞি
তেৰ	থেৰ'	.....	স্মৃয়িং কলাং আউম্
চৈধ্য	ছু'ইদ	.....	স্মৃয়িং কলাং আপি
পোন্ধৰ	ফন্দ্র	.....	স্মৃয়িং কলাং আংঙ
ষোল্ল	ষল্ল	.....	স্মৃয়িং কলাং আক্কীং
সোতৰ	সাথাৰ'	.....	স্মৃয়িং কলাং কৃন্দ

ওঠৰ	আঠাৰ'	.....	স্ময়িং কলাং পিঃ ঞ্জি
উনৈশ্	উন্নিশ্	.....	স্ময়িং কলাং কনাং
একুৰি	ইখুৰি	.....	স্ময়িং আঞ্জি
একুৰি			
এক	ইখুৰি কিচা		
একুৰি			
দুই	ইখুৰি কিনিং		

(উৎস: Taraperewala L.J. S Elements of Science of langage P. 127